— বস্তু এটাক ওপৰৰ পৰা, সন্মুখৰ পৰা আৰু কাষৰ পৰা চালে কেনেকুৱা দেখি তাক আঁকিব পাৰিব।

- সৰল জ্যামিতিক আকৃতি (ত্ৰিভুজ, আয়ত, বৰ্গ)ৰ কালি আৰু পৰিসীমা এটা প্ৰদত্ত আকৃতিৰ একক হিচাপে উলিয়াব পাৰিব। উদাহৰণ স্বৰূপে, টেবুল এখনৰ ওপৰখন কেইবাৰ এখন কিতাপেৰে সম্পূৰ্ণকৈ পূৰাব পাৰিব তাক জানিব।
- মিটাৰক চেণ্টিমিটাৰলৈ আৰু চেণ্টিমিটাৰক মিটাৰলৈ পৰিৱৰ্তন কৰিব পাৰিব।
- দুটা অৱস্থানত থকা বস্তুৰ দৈৰ্ঘ বা দূৰত্ব, বিভিন্ন বস্তুৰ ওজন, জুলীয়া বস্তুৰ আয়তন ইত্যাদি অনুমান কৰিব পৰা কৌশল আয়ত্ত কৰিব আৰু সঠিক জোখৰ লগত সত্যাসত্য নিৰূপণ কৰিব পাৰিব।
- পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়া ব্যৱহাৰৰ দ্বাৰা দৈনন্দিন জীৱনত উদ্ভৱ হোৱা টকা-পইচা, দৈৰ্ঘ, দূৰত্ব, ওজন, আয়তন আৰু সময় সম্বন্ধীয় সমস্যা সমাধান কৰিব পাৰিব।
- ঘণ্টা আৰু মিনিটত সময় ক'ব পাৰিব আৰু সময়ক a.m আৰু p.m ত প্ৰকাশ কৰিব পাৰিব।
- ১২ ঘণ্টীয়া ঘড়ী সাপেক্ষে ২৪ ঘণ্টীয়া ঘড়ীৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- পূৰণ আৰু হৰণৰ চানেকি চিনাক্ত কৰিব পাৰিব (৯ ৰ গুণিতকলৈকে)।
- সমমিতিত থকা জ্যামিতিক চানেকিবোৰ পৰ্যৱেক্ষণ, চিনাক্ত আৰু বিস্তৃত কৰিব পাৰিব।
- সংগৃহীত তথ্যৰ তালিকা কৰি আৰু দণ্ডলেখৰ সহায়ত উপস্থাপন কৰিব পাৰিব আৰু ইয়াৰ ওপৰত ব্যাখ্যা কৰিব পাৰিব।

## পৰিৱেশ অধ্যয়ন

ছাত্ৰ-ছাত্ৰীয়ে—

- চৌপাশে থকা ফুল, ফল আৰু শিপাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- আকৃতি, বৰণ, গোন্ধ, এইবোৰ ক'ত পোৱা যায় আদি) চিনাক্ত কৰিব পাৰিব।
- চৰাই আৰু প্ৰাণীৰ বৈশিষ্ট্য (যেনে- চৰাইৰ ঠোঁট, বাহ আৰু প্ৰাণীৰ দাঁত, হাতোৰা, কাণ, নোম, বাসস্থান আদি) চিনাক্ত কৰিব পাৰিব।
- যৌথ পৰিয়ালৰ সদস্যসকলৰ মাজৰ সম্বন্ধবোৰ চিনাক্ত কৰিব পাৰিব।
- জাক পাতি থকা/দলবদ্ধভাৱে থকা প্ৰাণীবোৰৰ (পৰুৱা, মৌ-মাখি, হাতী আদি) দলীয় আচৰণ, চৰাইৰ বাহ সজা কাৰ্য, পৰিয়ালত সন্তান জন্ম, বিবাহ, কোনো সদস্যৰ স্থানান্তৰিত সূত্ৰে হোৱা পৰিৱৰ্তনবোৰ বৰ্ণনা কৰিব পাৰিব।
- দক্ষতাৰ আৱশ্যক হোৱা কিছুমান কাম (যেনে— কৃষি কাৰ্য, নিৰ্মাণ কাৰ্য, শিল্প-কলা আদি), উত্তৰাধিকাৰী সূত্ৰে কৰি অহা কিছুমান শিল্প-কলা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণ, এনেবোৰ প্ৰশিক্ষণ দিয়া অনুষ্ঠানবোৰৰ ভূমিকা আদিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ (যেনে- খাদ্য, পানী, সাজ-পাৰ) বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ বিষয়ে (যেনে- খেতিৰ পৰা উৎপন্ন হোৱা শস্যবোৰ বজাৰলৈ আৰু বজাৰৰ পৰা ঘৰলৈ অনা প্ৰক্ৰিয়া), স্থানীয় পানীৰ উৎসৰ পৰা কি প্ৰক্ৰিয়াৰে শোধন কৰি ঘৰ বা চুবুৰীয়া অঞ্চলত যোগান ধৰা হয় ইত্যাদি বৰ্ণনা কৰিব পাৰিব।
- অতীত আৰু বৰ্তমানৰ পৰিবহন ব্যৱস্থা, মুদ্ৰা, ঘৰ, সামগ্ৰী, সা-সঁজুলি/আহিলাপাতি আদিৰ পাৰ্থক্য উলিয়াব পাৰিব।
- চৰাই আৰু প্ৰাণীৰ কিছুমান দৈহিক বৈশিষ্ট্য (ঠোঁট, কাণ, নোম, দাঁত, ছালৰ গঠনশৈলী আদি), প্ৰাণীৰ প্ৰবৃত্তি (ঘৰচীয়া/বনৰীয়া), ফল-মূল, শাক-পাচলি, মাহ জাতীয় শস্য, মচলা আদি নিৰীক্ষণ কৰি শ্ৰেণীবিভাজন কৰিব পাৰিব।
- কিছুমান পৰিঘটনাৰ ধৰ্ম, চৰ্ত আদিৰ সত্যাসত্য সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব আৰু বস্তুৰ (দৈৰ্ঘ, ওজন আদি) স্থানীয়/নিৰ্ধাৰিত এককত (কিলো, গজ, পাব আদি) নিৰ্ণয় কৰিব পাৰিব।
- মেলা, উৎসৱ, ঐতিহাসিক ঠাই আদি নিৰীক্ষণ কৰি পোৱা অভিজ্ঞতাৰ তথ্যৰে টোকা প্ৰস্তুত কৰিব পাৰিব।
- মানচিত্ৰত বিদ্যালয়, চুবুৰীয়া অঞ্চল, চিহ্ন, কোনো ঠাইৰ স্থিতি, গুৰুত্বপূৰ্ণ ঠাই আদি চিনাক্ত কৰিব পাৰিব আৰু আনকো সেইবোৰ বিচাৰি উলিওৱাত নিৰ্দেশনা দিব পাৰিব।
- নামফলক, পোষ্টাৰ, মুদ্ৰা (টকা-পইচা) ৰে'লৰ টিকট/সময়সূচী ইত্যাদিত দিয়া তথ্যৰ ব্যৱহাৰ কৰিব পাৰিব।
- স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, এলবাম, বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ সৰল মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।
- ঘৰ, বিদ্যালয়, চুবুৰীয়া অঞ্চল নিৰীক্ষণ কৰি সামাজিক ব্যৱস্থাৰ বিষয়ে আহৰণ কৰা কিছুমান অভিজ্ঞতা (যেনে— লিঙ্গভিত্তিক কাৰ্য, বৈষম্যতা, শিশুৰ অধিকাৰ আাদিৰ) ওপৰত নিজৰ মতামত দিব পাৰিব।
- স্বাস্থ্য আৰু স্বাস্থ্যবিধি, খাদ্য, পানী আদি ব্যৱহাৰত মিতব্যয়ী হোৱা, এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ কৰা বা পুনৰাৱৰ্তন কৰা, জীৱ আৰু সম্পদৰ (খাদ্য, পানী ৰাজহুৱা সম্পত্তি) যত্ন লোৱা আদি বিভিন্ন ব্যৱস্থাৰ ওপৰত পৰামৰ্শ আগবঢ়াব পাৰিব।



# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## চতুৰ্থ শ্ৰেণী



সত্যমেব জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

এন সী ই আর টী
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো, সকলোৱে আগবাঢ়ো

# অসমীয়া

ছাত্ৰ-ছাত্ৰীয়ে—

- সাধু-কথা, গল্প, কাহিনী, জীৱনী, কবিতা/পদ্য আদি পঢ়ি নিজৰ কথাৰে ক'ব, প্ৰশ্ন কৰিব আৰু নিজৰ ভাব/অনুভৱ সংযোজন কৰিব পাৰিব।
- ছবিৰ আধাৰত গল্প, কাহিনী, সাধু আদি পঢ়ি বুজি নিজা ধৰণে ক'ব। তাৰ আধাৰত প্ৰশ্ন কৰিব আৰু আনে কৰা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
- আনে কোৱা কথা মনোযোগেৰে শুনি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব আৰু প্ৰশ্ন কৰিব পাৰিব।
- যিকোনো বিষয়ৰ ৰচনা শুনি, পঢ়ি ৰচনাৰ বিষয়বস্তু, ঘটনা, চৰিত্ৰ, শিৰোনাম আদিৰ বিষয়ে আলোচনা কৰিব, প্ৰশ্ন সুধিব, নিজৰ সিদ্ধান্ত দিব আৰু নিজৰ মতামতৰ বাবে যুক্তি প্ৰদৰ্শন কৰিব পাৰিব।
- সাধু-কথা, গল্প, কাহিনী, কবিতা/পদ্য বা অন্য ৰচনা নিজা প্ৰকাশভংগীৰে ক'ব আৰু তাত নিজৰ কথা সংযোজন কৰিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ পঠন সামগ্ৰী (যেনে - বাতৰি-কাকতৰ মুখ্য শিৰোনাম, শিশু পত্ৰিকা আদি)ত থকা প্ৰাকৃতিক, সামাজিক সাংস্কৃতিক আৰু অন্যান্য সংবেদনশীল দিশবোৰ বুজিব, সেই বিষয়ে আলোচনা কৰিব পাৰিব।
- পঠন সামগ্ৰীৰ কথাবোৰ আৰু নিজৰ অনুভৱ সংযোগ কৰিব আৰু তাৰ পৰা প্ৰকাশ পোৱা সংবেদনশীল বিষয়বোৰ আৰু চিন্তা-চৰ্চাবোৰ (মৌখিক/লিখিত ৰূপত) অভিব্যক্ত কৰিব পাৰিব।
- শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা, বাতৰি-কাকত আৰু দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত নিজা প্ৰকাশভংগীৰে সাধু, গল্প ক'ব, পদ্য আবৃত্তি কৰিব পাৰিব।
- পাঠ্যপুথি বহিৰ্ভূত পঠন সামগ্ৰী (যেনে - শিশু-সাহিত্য, বাতৰি-কাকতৰ মুখ্য শিৰোনাম, শিশু পত্ৰিকা, প্ৰচাৰ ফলক আদি)পঢ়ি বুজিব।
- বিভিন্নধৰণৰ পঠন সামগ্ৰীত থকা নতুন নতুন শব্দৰ বিষয়ে বুজি তাৰ অৰ্থ গ্ৰহণ কৰি ব্যক্তিগত আৰু সামাজিক জীৱনত ব্যৱহাৰ কৰিব পাৰিব।
- উপযুক্ত পঠন সামগ্ৰী পঢ়িবলৈ আগ্ৰহান্বিত হ'ব আৰু শিকন কোণ/পুথিভঁৰালৰ পৰা নিজৰ ভাল লগা কিতাপ বাচনি কৰি পঢ়িব পাৰিব।
- স্তৰ অনুসৰি অন্য বিষয় (যেনে - গণিত, বিজ্ঞান, সমাজবিদ্যা আদি)ত ব্যৱহৃত বিষয়ভিত্তিক শব্দবোৰ বুজি প্ৰয়োজনুসাৰে ব্যৱহাৰ কৰিব পাৰিব।
- ভাষাৰ ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়ে বুজি মৌখিক আৰু লিখিত ৰূপত ব্যৱহাৰ কৰিব পাৰিব।
- যিকোনো বিষয়ৰ ওপৰত লিখনিত ব্যৱহাৰ হোৱা শব্দৰ স্থান ভেদে অৰ্থৰ পাৰ্থক্য বুজিব আৰু সেই শব্দবোৰ উপযুক্তভাৱে মৌখিক আৰু লিখিত ৰূপত ব্যৱহাৰ কৰিব পাৰিব।
- বিভিন্ন উদ্দেশ্য আৰু পৰিস্থিতি (জাননী, ফলকত দিয়া জাননী, বস্তুৰ তালিকা, মধ্যাহ্ন ভোজনৰ তালিকা, কবিতা, কাহিনী, চিঠি আদি) অনুসৰি লিখিব পাৰিব।
- স্ব-ইচ্ছাৰে বা শিক্ষকৰ দ্বাৰা নিৰ্ধাৰিত বিষয়বস্তুৰ লিখন প্ৰক্ৰিয়া ভালকৈ বুজি নিজৰ লিখা প্ৰস্তুত কৰিব লগতে উদ্দেশ্য আৰু পাঠক অনুসৰি লিখনৰ প্ৰকাশভংগী সলনি কৰিব পাৰিব।
- ভিন ভিন পাঠত পোৱা নতুন নতুন শব্দবোৰৰ বিষয়ে ভালদৰে বুজি শব্দবোৰ নিজৰ লিখনিত উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰিব।
- ভিন ভিন উদ্দ্যেশ্যৰে লিখা নিজৰ লিখনিত যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ কৰিব পাৰিব।
- নিজৰ কল্পনাৰে কাহিনী, কবিতা, অভিজ্ঞতাৰ বৰ্ণনা আদি লিখিব আৰু লিখনিত সাৱলীলভাৱে প্ৰয়োগ কৰিব পাৰিব।
- নতুনকৈ পোৱা শব্দৰ অৰ্থ সুনিশ্চিত কৰিববলৈ অভিধান ব্যৱহাৰ কৰিব জানিব।
- জাতীয় সাহিত্য-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়িব, শুনিব আৰু সেইবোৰ ভালদৰে বুজি নিজা অনুভৱ প্ৰকাশ কৰিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আৰু লিংগ বৈষম্য দূৰীকৰণ আদি পঢ়ি প্ৰয়োজন সাপেক্ষে বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- ভিন ভিন উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰি শ্ৰৱণ, কথন, পঠন আৰু লিখন কৌশলৰ প্ৰয়োগ কৰিব পাৰিব।
- শ্ৰেণীকক্ষত বহু ভাষিক শব্দৰ অৰ্থৰ তালিকা প্ৰস্তুত কৰিব আৰু বেৰত আঁৰি থ'ব পাৰিব।
- সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে কাহিনী, কবিতা, অভিজ্ঞতা আদি বৰ্ণনা কৰিব আৰু লিখিব পাৰিব।

# ENGLISH

**The learner –**

- recites poems with appropriate expressions and intonation
- enacts different roles in short skits
- responds to simple instructions, announcements in English made in class/school
- responds verbally/in writing in English to questions based on day-to-day life experiences, an article, story or poem heard or read
- describes briefly, orally/in writing about events, places and/or personal experiences in English
- reads subtitles on T.V., titles of books, news headlines, pamphlets and advertisements
- shares riddles and tongue-twisters in English
- solves simple crossword puzzles, builds word chains, etc.
- infers the meaning of unfamiliar words by reading them in context
- uses dictionary to find out spelling and meaning
- writes/types dictation of short paragraphs (7-8 sentences)
- uses punctuation marks appropriately in reading aloud with intonations and pauses such as question mark, comma and full stop
- uses punctuation marks appropriately in writing such as question mark, comma, full stop and capital letters
- writes informal letters or messages with a sense of audience
- uses linkers to indicate connections between words and sentences such as 'First', 'Next', etc.
- uses nouns, verbs, adjectives and prepositions in speech and writing
- reads printed script on the classroom walls, notice board, in posters and in advertisements
- speaks briefly on a familiar issue like conservation of water; and experiences of day to day life like visit to a zoo; going to a mela
- presents orally and in writing the highlights of a given written text/a short speech/narration/video, film, pictures, photograph, etc.

# গণিত

ছাত্ৰ-ছাত্ৰীয়ে—

- দৈনন্দিন জীৱনত সংখ্যাৰ মৌলিক প্ৰক্ৰিয়া প্ৰয়োগ কৰিব পাৰিব।
  — দুটা অংক বিশিষ্ট আৰু তিনিটা অংক বিশিষ্ট সংখ্যাৰে পূৰণ কৰিব পাৰিব।
  — বিভিন্ন পদ্ধতিৰে এটা সংখ্যাক আন এটা সংখ্যাৰে হৰণ কৰিব পাৰিব। যেনে— চিত্ৰ (ফুট ফুট আঁকি)ৰে, সমানে ভাগ কৰি, বাৰে বাৰে বিয়োগ কৰি পূৰণ আৰু হৰণৰ মাজত থকা সম্বন্ধ ব্যৱহাৰ কৰিব পাৰিব।
  — দৈনন্দিন জীৱনত উদ্ভৱ হোৱা, টকা-পইচা, দৈৰ্ঘ, ধাৰণ ক্ষমতা ইত্যাদিৰ লগত জড়িত সমস্যাসমূহ চাৰি প্ৰক্ৰিয়াৰ সহায়ত সমাধান কৰিব পাৰিব।
- ভগ্নাংশৰ লগত কাৰ্য কৰিব পাৰিব—
  — কাগজ ভাঁজ কৰি বা বস্তুৰ সংগ্ৰহৰ পৰা আধা, এক চতুৰ্থাংশ, তিনি চতুৰ্থাংশ চিনাক্ত কৰিব পাৰিব।
  — সংখ্যা ব্যৱহাৰ কৰি আধা, এক চতুৰ্থাংশ আৰু তিনি চতুৰ্থাংশ ভগ্নাংশত প্ৰকাশ কৰিব পাৰিব।
  — এটা ভগাংশক আন এটা ভগ্নাংশৰ সমতুল্য ভগ্নাংশ হিচাপে দেখুৱাব পাৰিব।
- চৌপাশত পোৱা আকৃতি বিলাকৰ বিষয়ে জানিব পাৰিব।
  — বৃত্তৰ কেন্দ্ৰ, ব্যাসাৰ্ধ আৰু ব্যাস চিনাক্ত কৰিব পাৰিব।
  — টালিত ব্যৱহাৰ কৰিব পৰা আকৃতি বিচাৰিবলৈ শিকিব।
  — প্ৰদত্ত জালিৰ সহায়ত সুষম ঘনক/আয়তীয় ঘনক প্ৰস্তুত কৰিববলৈ শিকিব।
  — কাগজ ভাঁজ কৰি/কাগজ কাটি/চিয়াহীৰ টোপাল ইত্যাদিৰে প্ৰতিফলনৰ দ্বাৰা সমমিতিৰ ধাৰণা দেখুৱাব পাৰিব।

